# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ১৭ ডিচেম্বৰ তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ মহান মৰ্যাদা সম্পন্ন খলিফা ৰাশেদ হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলীৰ স্মৃতিচাৰণ মুলক বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ বিষয়ে থকা ঐতিহাসিক বৰ্ণনাত দাস মুক্তি সম্পৰ্কে কিছুমান ঘটনাৰ উল্লেখ আছে। এখেত (ৰাঃ)য়ে নাহাদিয়া আৰু তাৰ জীয়েকক মালিকে বিচৰা মতে মূল্য আদায় দি এওঁলোকে দুয়োজনকে স্বাধীন কৰোৱাই দিছিল। এনেদৰে হজৰত উমৰ বিন খাত্তাব (ৰাঃ) যিজনে তেতিয়াও মুছলমান হোৱা নাছিল; বনু মুৰাম্মিলৰ এজনী দাসীক বৰকৈ কষ্ট দি আছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে তাইক মুক্ত কৰোৱাইছিল। হজৰত আবু বক্কৰ (ৰাঃ)ৰ দেউতাকে এবাৰ এখেত (ৰাঃ)ক পৰামৰ্শ দিছিল যে তুমি শক্তিশালী পুৰুষ মানুহক দাসত্ব মুক্ত কৰোৱা যাতে তেওঁলোকে তোমাক ৰক্ষণাবেক্ষণ দিব পাৰে। এই কথাবিলাক শুনি হজৰত আবু বক্কৰ (ৰাঃ)য়ে উত্তৰ দিছিল যে মই কেৱল মাত্ৰ আল্লাহ তা'লাৰ সন্তুষ্টি বিচাৰো। আল্লামা কুৰতবি,আল্লামা আলুছি আৰু কিছুমান তফছিৰ কাৰকে কৈছে যে ছুৰাতুল লাইলৰ আয়াত فَاَمَّا مَنْ اَعْطٰى وَاتَّقٰى ৰ পৰা وَلَسَوْفَ يَرْضٰى লৈকে চমু অৰ্থত এয়া যে তাৰ পিছত সেইজনাৰ ক্ষেত্ৰত যিয়ে আল্লাহৰ অভিপ্ৰায়ৰ সমৰ্থনত দান দিয়ে আৰু সজবাট ধৰে আৰু শুদ্ধ কথাৰ সত্যতাৰ সপক্ষে কয়; আমি তেওঁৰ বাবে সততা লাভৰ অৰ্থে প্ৰত্যেক সুবিধা যুগুতাই দিম। কিন্তু সেই জন লোকৰ ক্ষেত্ৰত যিজনে কৃপনালি কৰে আৰু দাম্ভিকতাৰে অন্যমনস্ক হয়,আৰু শুদ্ধ কথাবোৰ আওকাণ কৰে: আমি তেওঁৰ বাবে সুগম কৰি দিম চৰম বিপদৰ পথ আৰু তেওঁৰ ধন-সম্পত্তিয়ে তেওঁৰ ধ্বংসৰ সময়ত কোনো কাম নিদিব। নিশ্চয় বাট দেখুওৱা কামটো আমাৰ; আৰু আমাৰ অধীনত আছে পৰকাল খন আৰু বৰ্তমান পৃথিৱীখন। গতিকে মই তোমালোকক এক প্ৰচণ্ড অগ্নি শিখালৈ মৰ্তক কৰি দিওঁ। আন কোনোৱে ইয়াত প্ৰৱেশ নকৰিব অতি জঘন্য দোষীজনৰ বাহিৰে; তেওঁ যিজনে সত্যক আওকাণ কৰে আৰু ইয়ালৈ পিঠি দিয়ে। কিন্তু সজ বাট ধৰাজনক ইয়াৰ পৰা ৰক্ষা কৰা হ'ব; যিজনে নিজৰ ধন-মাল নিজকে পৱিত্ৰ কৰাৰ অৰ্থে দান দিয়ে। এয়া বুলি নহয় যে তেওঁ

কাৰোবাৰ লগত কোনো পৰিশোধ কৰিবলগীয়া ঋণৰ বান্ধত আৱদ্ধ আছে। কিন্তু এয়া মাত্ৰ তেওঁৰ প্ৰভু অতি উচ্চ জনাৰ সন্তুষ্টিৰ নিমিত্তে কৰিছে; আৰু অতি সোনকালেই সেইজনা তেওঁৰ প্ৰতি সন্তুষ্ট হ'ব। এই আয়াত সমূহ হজৰত আবু বক্কৰ (ৰাঃ)ৰ সেই আমলৰ বাবে তেখেত (ৰাঃ)ৰ পক্ষে অৱতীৰ্ণ হৈছে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে হজৰত খাববাব বিন আৰাত (ৰাঃ)ৰ মুক্তিৰ ঘটনা বৰ্ণনা কৰোঁতে লিখিছে যে হজৰত খাববাব (ৰাঃ) যিয়ে কোনো এটা সময়ত দাস আছিল; কোনো এজন লোকে দেখিছিল যে এখেত (ৰাঃ)ৰ পিঠিৰ ছাল বৰ টান আৰু ম'হৰ ছালৰ দৰে খহটা হৈ আছে; লোকজনে এই অৱস্থা চাই বৰ আচৰিত হৈছিল আৰু এই বিষয়ে সুধাত হজৰত খাববাব (ৰাঃ)য়ে কয় যে মই ইছলাম গ্ৰহণ কৰাৰ কাৰণে মোৰ মালিকে মোক প্ৰখৰ ৰ'দৰ মাজত বগৰাই বগৰাই মাৰিছিল আৰু কৈছিল তই ক'ব লাগিব যে মই মহম্মদ (ছাঃ)ক নামানো। কিন্তু মই তাৰ সলনি কলিমা শ্বাহাদত পাঠ কৰি থাকিছিলো আৰু তেওঁ মোক মাৰ-পিট কৰি গৈছিল আৰু চোকা চোকা শিলগুটিৰ ওপৰেদি চুচুৰাই লৈ গৈছিল। তুমি যি দেখিবলৈ পাইছা এয়া সেই মাৰ-পিট আৰু চুচুৰাই দিয়াৰ চিহ্ন। বছৰে বছৰ ধৰি হজৰত খাববাব (ৰাঃ)ৰ ওপৰত অত্যাচাৰ চলিছিল। অৱশেষত হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজা সম্পত্তিৰ পৰা এটা অংশ বিক্ৰি কৰি সেই ধনেৰে খাববাব (ৰাঃ)ক মুক্ত কৰি দিছিল।

আন এটা ঠাইত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে যিসকল গোলামে ৰছুলে কৰিম (ছাঃ)ৰ ওপৰত বিশ্বাস স্থাপন কৰিছিল তাৰ মাজত হাবশী লোকও আছিল যেনে বিলাল (ৰাঃ),তেওঁলোকৰ মাজত ৰোমী লোকও আছিল; যেনে ছুহেব (ৰাঃ),তেওঁলোকৰ মাজত ঈছাই লোকও আছিল যেনেকৈ জুবেৰ (ৰাঃ) আৰু ছুহেব (ৰাঃ) আৰু মুশৰিক সকলেও আছিল যেনেকৈ বিলাল (ৰাঃ) আৰু আম্মাৰ (ৰাঃ)। হজৰত বিলাল (ৰাঃ)ক তেখেতৰ মালিকে তেখেতক গৰম বালিৰ ওপৰত বগৰাই বুকুৰ ওপৰত হয়তো পাথৰ উঠাই চেপা দি ৰাখিছিল নতুবা ডেকা ল'ৰা বিলাকক তেখেতৰ বুকুৰ ওপৰত গচকিবলৈ লগাই দিছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে যেতিয়া হজৰত বিলাল (ৰাঃ)ৰ ওপৰত এনে অত্যাচাৰ হোৱা দেখিবলৈ পাইছিল তেতিয়া দাম দি কিনি আনি দাসত্ব মুক্ত কৰিছিল। যেতিয়া কাফিৰ সকলৰ অত্যাচাৰে সীমা চেৰাই গৈছিল তেতিয়া হুজুৰ (ছাঃ)য়ে পাঁচ নবুবীৰ ৰজব মাহত মুছলমান সকলক হাবশালৈ হিজৰত কৰাৰ নিৰ্দেশ দিছিল। সেয়ে এঘাৰ জন পুৰুষ আৰু চাৰি মহিলাই হাবশালৈ হিজৰত কৰিছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়েও হিজৰতৰ উদ্দেশ্যে ওলাই পৰিছিল কিন্তু বৰাক উল গামাদ নামক ঠাইত কাৰা কবিলাৰ চৰ্দাৰ ইবনে দুগনাই হজৰত আবু বক্কৰ (ৰাঃ)ৰ পৰিকল্পনা বুজি পাই তেখেতক আশ্ৰয় দিয়াৰ প্ৰতিশ্ৰুতি দি মক্কালৈ ঘূৰাই লৈ আনিছিল। মক্কাত আহি উপস্থিত হৈ তেওঁ কুৰাইছৰ চৰ্দাৰ সকলক কৈছিল যে আবু বক্কৰ (ৰাঃ)ৰ দৰে লোকক নে দেশৰ পৰা ওলাই খেদিব পৰা যায়,নে তেওঁ দেশৰ পৰা ওলাই যাব। তোমালোকে এনেকুৱা এজন লোকক ওলাই দি আছা; যাৰ মাজত বহু গুণাৱলী আছে, যিবোৰ বেয়া হৈ যাব; আৰু তেওঁ বৰ দয়ালু ক্লান্তজনৰ বোজা নিজে বহন কৰে; অতিথি আলপৈচানত অতি আগ্ৰহী। কুৰাইছ সকলে ইবনে দুগনাৰ আশ্ৰয় দিয়াটো মানি লৈছিল যদিও কৈছিল যে আবু বক্কৰক কোৱা ! তেওঁ যেন তাৰ পালন কৰ্তাৰ ইবাদত নিজৰ ঘৰতে থাকি কৰে। ইয়াৰ পিছৰে পৰা হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজৰ ঘৰতেই নমাজ পঢ়িছিল আৰু কোৰ-আন মজিদ তিলাওত কৰিছিল। কিছু দিন পিছত এখেত (ৰাঃ)য়ে নিজৰ ঘৰৰে দুৱাৰ মুখত অৰ্থাৎ পদুলিত ইবাদতৰ স্থান বনাই লয় য'ত মুশৰিক মহিলা আৰু সৰু সৰু ল'ৰা-ছোৱালীবিলাকে তেখেত (ৰাঃ)ৰ ইবাদতত মগ্ন অৱস্থাটো আচৰিত হৈ দেখি থাকিছিল। এয়া দেখি মক্কাৰ কুৰাইছ সকলে কথাটো ইবনে দুগনাক অৱগত কৰে আৰু হজৰত আবু বক্কৰ (ৰাঃ)য়ে ইবনে দুগনাক কয় যে মই আপোনাৰ আশ্ৰয় ত্যাগ কৰিলোঁ আৰু আল্লাহৰ আশ্ৰয়ত সন্তুষ্ট

আছো; হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজৰ ঘৰৰ পদুলিত যি মছজিদ বনাইছিল সেই বিষয়ে ছহী বুখাৰীৰ অধ্যায় উমদাতুল কাৰিত লিখা আছে যে এই মছজিদ ঘৰৰ বেৰ লৈকে বিস্তাৰিত আছিল আৰু এয়াই ইছলামৰ প্ৰথম মছজিদ আছিল।

হজৰত আবু বক্কৰ (ৰাঃ) শ্বাবে আবি তালিবতও হুজুৰ (ছাঃ)ৰ লগত আছিল। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে সেই বিপদ সংকুল অৱস্থাতও হজৰত আবু বক্কৰ (ৰাঃ)য়ে ৰছুলে কৰিম (ছাঃ)ৰ লগ এৰা নাছিল।

হজৰত ইবনে আববাছ (ৰাঃ)য়ে কৈছে যে যেতিয়া غُلِبَتِ الرُّوْمُ فِيْٓ اَدْنَى الْاَرْضِ এই আয়াত নাযিল হৈছিল তেতিয়া মুশৰিকিন সকলে কামনা কৰিছিল যে ফাৰচৰ বাসিন্দা সকলে ৰোম বিজয় কৰক কাৰণ এওঁলোকেও মূৰ্তি পূজা কৰিছিল। আনহাতে মুছলমান সকলে কামনা কৰিছিল যে ৰোমীয় সকলে ফাৰচ বিজয় কৰক কাৰণ ৰোমীয় সকল কিতাপৰ অনুসাৰী আছিল। ৰছুলে কৰিম (ছাঃ)য়ে এয়া কোৱাৰ পিছত যে ৰোমীয় সকলে ফাৰচ বিজয় কৰি হজৰত আবু বক্কৰ (ৰাঃ)য়ে মুশৰিক সকলৰ লগত চৰ্ত স্থাপন কৰিছিল। ছহী বুখাৰীত ৰছুলে কৰিম (ছাঃ)ৰ এনেকুৱা চাৰিটা ভৱিষ্যদ্বাণী উল্লেখ আছে, যিবিলাক বৰ প্ৰতাপেৰে সৈতে পূৰ্ণ হৈছে। সেই ভৱিষ্যদ্বাণী বিলাকৰ মাজত ৰোম বিজয় সম্পৰ্কীয় ভৱিষ্যদ্বাণীও আছে। গতিকে মছৰুক বৰ্ণনা কৰিছে যে মই হজৰত আব্দুল্লাহ বিন মাছুদ (ৰাঃ)ৰ ওচৰত আছিলো। তেখেতে কৈছিল যে নবী কৰিম (ছাঃ)য়ে যেতিয়া দেখিছিল যে লোকে মূখ ফিৰাই ইছলাম এৰি গৈ আছে তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল হে আল্লাহ ! যেনেকৈ হজৰত ইউছুফ (আঃ)ৰ সময়ত সাত বছৰীয়া খৰাং বতৰৰ দুৰ্ভীক্ষ ঢালি দিছিলা তেনেকৈ এওঁলোকৰ ওপৰতও তুমি দুৰ্ভীক্ষ ঢালি দিয়া। ঠিক সেই মতেই তেওঁলোকৰ দুৰ্ভীক্ষ আহি গৈছিল; যিয়ে প্ৰত্যেক বস্তুকেই ধ্বংস কৰি পেলায়। অৱশেষত তেওঁলোকে ছাল,মৃত আৰু দুৰ্গন্ধময় মৰাশ পৰ্যন্ত খাইছিল আৰু তেওঁলোকৰ কোনোবায় যদি আকাশৰ ফালে চাইছিল তেন্তে ভোকৰ তাড়নাত আকাশ খন ধূৱা-কোৱা দেখিবলৈ পাইছিল। আল্লাহ তা'লা কৈছে অপেক্ষা কৰা সেই দিনটোলৈ;যেতিয়া আকাশখনে স্পষ্ট ধোঁৱা লৈ আনিব। নিশ্চয় তোমালোকে এইবোৰৰে কামনা কৰোঁতা হয়, যিদিনাখন আমি বৰ শক্তিৰে গ্ৰেপ্তাৰ কৰিম। গতিকে বদৰৰ দিনাখন এই বজ্ৰ হাতৰ গ্ৰেপ্তাৰ আহি পৰিছিল আৰু ধোঁৱাৰ শাস্তি আৰু কঠিন গ্ৰেপ্তাৰি আৰু বিজয় সম্পৰ্কীয় ভৱিষ্যদ্বাণী আৰু ৰোম বিজয়ৰ ভৱিষ্যদ্বাণী আদি সকলো পূৰ্ণ হৈছে। আল্লামা বদৰ উদ্দিন আয়নি লিখিছে যে হজৰত আবু বক্কৰ (ৰাঃ) আৰু আবু জাহিলৰ মাজত কেইটামান বছৰ আগতে চৰ্ত স্থাপন হৈছিল,হুজুৰ (ছাঃ)য়ে কৈছিল যে 'بِضْع' শব্দ তাত প্ৰয়োগ হয়,সেইমতেই হজৰত আবু বক্কৰ (ৰাঃ)য়ে সময় বঢ়াই লৈছিল আৰু অৱশেষত ৰোমৰ বিজয় সাব্যস্ত হৈছিল। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে 'بِضْع' শব্দক চমুকৈ ন বছৰলৈকে বুজোৱা হয়। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে এয়া সেই সময়ৰ কথা যেতিয়া আঁ-হজৰত (ছাঃ)য়ে ভিতৰতেই যুদ্ধই গতি সলায় আৰু ৰোমে ফাৰচক পৰাভূত কৰি কম সময়ৰ ভিতৰতেই নিজৰ অঞ্চল আকৌ কাঢ়ি লৈছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ সৈতে কিছুমান কাফিৰে শ শ উট দিয়া-নিয়া চৰ্ত বান্ধিছিল। দেখিবলৈ পোৱা মতে এই ভৱিষ্যদ্বাণী পূৰ্ণ হোৱাৰ আকাঙ্খা বহু দূৰ হৈ গৈ আছিল কিন্তু এটা চূড়ান্ত পৰ্যায়ৰ যুদ্ধত ৰোমী সৈন্য সামন্তই সংখ্যাত কম হোৱা সত্ত্বেও কোৰ-আন কৰিমৰ ভৱিষ্যদ্বাণী অনুযায়ী ইৰাণী সকলৰ ওপৰত জয়লাভ কৰে।

আল্লাহ তা'লা যেতিয়া হুজুৰ (ছাঃ)ক আৰবৰ কবিলা বিলাকৰ মাজত তবলিগ কৰাৰ আদেশ দিয়ে তেতিয়া

তেখেত (ছাঃ)য়ে হজুৰ সময়ত হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত আলি (ৰাঃ)ক লগত লৈ আউচ আৰু খজৰজ লগতে আন আন কবিলা বিলাকৰ বৈঠকত গৈ উপস্থিত হয় আৰু সিহঁতক তবলিগ কৰে। এনেদৰে এবাৰ হজুৰ সময়ত তেখেত (ছাঃ)য়ে কবিলা বকৰ বিন ওৱায়েলৰ ওচৰলৈ হজৰত আবু বক্কৰ (ৰাঃ)ক তবলিগ কৰিবলৈ পঠাই দিয়ে। এনেদৰে এটা কবিলা বনি শায়বান বিন শ্বোৱালবা হুজুৰ (ছাঃ)ৰ আমন্ত্ৰণত মুগ্ধ হয় যদিও তেওঁলোকৰ চৰ্দাৰ সকলৰ এজনে অৰ্থাৎ মুছান্না বিন হাৰছায় কিছ্ৰাৰ সৈতে থকা তেওঁলোকৰ চুক্তিৰ কথা উল্লেখ কৰে। যি যুক্তি অনুযায়ী তেওঁলোকে কোনো নতুন কাম কৰিব নোৱাৰে আৰু কোনো নতুন কাম কৰোঁতা জনকও আশ্ৰয় দিব নোৱাৰে।

আঁ-হজৰত (ছাঃ)য়ে তেওঁলোকক কৈছিল যে যদি কিছু দিনৰ ভিতৰত আল্লাহ তা'লা তোমালোকক কিছ্ৰাৰ মাটিৰ অংশীদাৰ বনাই দিয়ে তেন্তে তোমালোকে আল্লাহৰ তছবিহ কৰিবানে? এই কথাবোৰ শুনি তেওঁলোকে মুগ্ধ হৈ পৰে। খোদা তা'লাৰ কুদৰতও এয়া যে মুছান্না যিয়ে কিছ্ৰাৰ ভয়ত ইছলাম গ্ৰহণ কৰিবলৈ দ্বিধাবোধ কৰিছিল, হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফৎ কালত কিছ্ৰাৰ সৈতে সংগঠিত হোৱা যুদ্ধত ইছলামী সৈন্যৰ সেনানায়ক হৈ পৰিছিল।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা আগলৈ চলিব বুলি উল্লেখ কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে পাকিস্তানৰ আৰু আফগানিস্তানৰ আহমদী সকলৰ বাবে দোৱাৰ তেহেৰিক কৰে আৰু কয় যে আফগানিস্তানৰ আহমদী সকল বৰ কষ্টত আছে। তাৰে কিছুমানক গ্ৰেপ্তাৰ কৰা হৈছে। মহিলা,বালক বালিকা সকলে নিজৰ ঘৰতে বৰ সমস্যাত পৰি আছে। যিসকল পুৰুষ মানুহ বাহিৰত আছে,গ্ৰেপ্তাৰ হোৱা নাই: তেওঁলোকেও অঘৰী হৈ পৰিছে কাৰণ গ্ৰেপ্তাৰ হোৱাৰ ভয়ত পলাই ফুৰিছে। আল্লাহ তা'লা তেওঁলোকৰ বাবে সহজ উপায় দান কৰক আৰু তেওঁলোকক এই সমস্যাৰ পৰা পৰিত্ৰাণ দিয়ক।

পাকিস্তানৰ আহমদী সকলৰ বাবেও দোৱা কৰিব তাতেও সাধাৰণতে অৱস্থা বেয়া হৈ আছে। কোনো নহয় কোনো ঠাইত কোনো এটা দুৰ্ঘটনা ঘটিয়ে আছে। গতিকে সমূহীয়া ভাৱে দোৱা কৰক যাতে আল্লাহ জগতখনক হজৰত মছীহ মাওউদ (আঃ)ক চিনি পোৱাৰ সামৰ্থ দান কৰে আৰু সকলো বিপদৰ অন্ত পেলায়। আমীন-

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰম আলহাজ আব্দুৰ ৰহমান আয়নিন চাহাব (প্ৰাক্তন ছেক্ৰেটাৰী উমুৰে আমা আৰু অফিচাৰ জলছা ছালানা ঘানা) মকৰম আজিয়াব আলি মহম্মদ আল জাবালি চাহাব অফ আৰদন,মকৰম দ্বীন মহম্মদ শ্বাহিদ চাহাব (ৰিটায়াৰড মুৰববী ছিলছিলা কানাডা) মকৰম মিয়া ৰফিক আহমদ চাহাব (কৰ্মী দফতৰ জলছা ছালানা) মকৰমা কান্তা জাফৰ চাহিবা পত্নী মকৰম এহছানুল্লাহ জাফৰ চাহাব (প্ৰাক্তন আমিৰ আমেৰিকা) আদি সকলো মৰহুমিন সকলৰ উন্নীত মৰ্যদা কামনা কৰি নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمکم اللّٰه اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

# BOOK POST (PRINTED MATTER)

TO,

.......................................................................................................................................
..................................................................................................................................................
..................................................................................................................................................
..................................................................................................................................................
..................................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844